# সংক্ষিপ্ত কাৰ্যকৰী বিৱৰণী ঃ

**পাৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা গাঁথনিৰ পৰিকল্পনাৰ পাতনি ঃ**

১। এই পাৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা গাঁথনি পৰিকল্পনা (ESMPF) ASRIP-ৰ অধীনৰ বিভিন্ন উপ-প্ৰকল্পসমূহ উন্নীতকৰণৰ বাবে অসম চৰকাৰৰ (GoA) অধীনত যুগুত কৰা হৈছে আৰু Asian Infrasturcture Investment Bank (AIIB)- ৰ জৰিয়তে পুঁজি যোগানৰ প্ৰস্তাৱ লোৱা হৈছে। এই পৰিকল্পনাটি ভাৰত চৰকাৰৰ আইনী নীতি অনুসৰি ৰাজহুৱা পথ নিৰ্মাণ বিভাগে অসম চৰকাৰ আৰু এ আই আই বেংকৰ পাৰিৱেশিক আৰু সামাজিক গাঁথনিৰ জৰিয়তে প্ৰস্তুত কৰা হৈছে।

২। এই পৰিকল্পনাটিয়ে পাৰিৱেশিক আৰু সামাজিক সুৰক্ষা বাচনি প্ৰক্ৰিয়া, পাৰিৱেশিক আৰু সামাজিক প্ৰভাৱৰ বাবে উপযুক্ত প্ৰশমন ব্যৱস্থাৰ নেতিবাচক আৰু ইতিবাচক দুইধৰণে উপস্থাপন কৰে। ই লগতে সমগ্ৰ প্ৰকল্প চক্ৰত ইয়াৰ উদ্দেশ্য প্ৰাপ্ত কৰা দিশত পৰিৱেশ আৰু সামাজিক প্ৰভাৱৰ ব্যৱস্থাপনা আৰু নিৰীক্ষণৰ বাবে প্ৰতিষ্ঠানগত ব্যৱস্থা নিৰ্ধাৰণ কৰে। লগতে ৰাজহুৱা পৰামৰ্শ, অংশগ্ৰহণ আৰু প্ৰকল্পৰ নথি-পত্ৰ প্ৰকাশৰ লগতে কাৰ্যকৰীকৰণৰ সময়ত উদ্ভৱ হ'ব পৰা সাম্ভাব্য অভিযোগ নিষ্পত্তিৰ প্ৰক্ৰিয়াবোৰো সন্নিবিষ্ট কৰে। এই উপ-প্ৰকল্পটোৰ সামগ্ৰিক উদ্দেশ্য হৈছে প্ৰকল্পটো ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু AIIB ৰ পাৰিৱেশি আৰু সামাজিক পৰিকল্পনাৰ (ESP) নীতিৰ সৈতে সমাঞ্জস্য ৰাখি মূল্যাংকণ আৰু ৰূপায়ণ কৰাটো নিশ্চিত কৰা। ASRIP ৰ উপ-প্ৰকল্পত প্ৰকল্প প্ৰস্তুতকৰণ, আৰ্হি, ৰূপায়ণ আৰু নিৰীক্ষণৰ সময়ত পৰিকল্পনা গাঁথনিটো নিৰ্দেশনা হিচাপে ব্যৱহাৰ হ'ব।

৩। বৰ্তমান লোক নিৰ্মাণ বিভাগে (পথ) ASRIP-ৰ অধীনত ২৮০.৯ কিলোমিটাৰৰ ৯টা উপ-প্ৰকল্পৰ প্ৰস্তাৱ দিছে, যিটো AIIB-ৰ পৰা পুঁজিৰ বাবে প্ৰস্তাৱিত। সাতটা উপ-প্ৰকল্পৰ বাবে পাৰিৱেশিক আৰু সামাজিক মূল্যায়ন কৰা হৈছে আৰু দুটা উপ-প্ৰকল্পৰ মূল্যাংকণ কৰিব লাগিব। পুনৰবাসিত পথসমূহৰ বাবে বিশদ প্ৰকল্প প্ৰতিবেদন (DPR) পৰামৰ্শদাতাৰ দ্বাৰা ২৫০ কিলোমিটাৰ পথ সুৰক্ষা নিৰীক্ষণ কৰা হ'ব। অতিৰিক্ত প্ৰকল্পটিত ৭৫০ কিলোমিটাৰ পথৰ বাবে সুৰক্ষা নিৰীক্ষণ কৰিবলৈ পথ সুৰক্ষা নিৰীক্ষকক নিয়োগ কৰা হ'ব। প্ৰস্তাৱিত কাৰ্যসূচীৰ মুখ্য পাৰিৱেশিক আৰু সামাজিক বিপদাশঙ্কা আৰু প্ৰভাৱ মুখ্যতঃ প্ৰাক-নিৰ্মাণ আৰু নিৰ্মাণ পৰ্যায়ত আৰু প্ৰস্তাৱিত পথৰ অধিকাৰৰ (PROW) ভিতৰত হ'ব বুলি আশা কৰা হৈছে।

৪। এই প্ৰকল্পটিৰ প্ৰকৃতি আৰু স্কেলৰ বাবে আৰু AIIB-ৰ পাৰিৱেশিক আৰু সামাজিক গাঁথনি (ESF) প্ৰয়োগ কৰাৰ বাবে প্ৰকল্পটিক A শ্ৰেণীৰ প্ৰকল্প হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। প্ৰস্তাৱিত প্ৰকল্পবোৰত যদি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিকূল পাৰিৱেশিক বা সামাজিক প্ৰভাৱৰ সম্ভাৱনা থকা

প্ৰকল্পবোৰ শ্ৰেণী-Aত অন্তৰ্ভূৰ্ক্ত কৰা হয়। এই ক্ষেত্ৰত প্ৰকল্প প্ৰভাৱিত ব্যক্তিজনৰ পুনৰ সংস্থাপনৰ ফলত সাম্ভাব্য সামাজিক প্ৰভাৱবোৰে এক উচ্চ বিপদাশঙ্কা থকা শ্ৰেণী বিভাজনৰ প্ৰমাণ দিয়ে। ASRIP-ত অন্তৰ্ভুক্ত প্ৰতিটো উপাদান/পথৰ বাবে পাৰিৱেশি আৰু সামাজিক ব্যৱস্থাপনা আঁচনি (ESMP) আৰু সামাজিক প্ৰভাৱ পৰ্যালোচনা (SIA)ৰ সৈতে এটা পাৰিৱেশ প্ৰভাৱ পৰ্যালোচনা (EIA) প্ৰস্তুত কৰিব লাগিব।

৫। পুনৰ সংস্থাপন পৰিকল্পনা গাঁথনি (RDF) আৰু থলুৱা জনগোষ্ঠীয় লোক-পৰিকল্পনা গাঁথনি (IPPF) দুখন ASRIP-ৰ বাবে প্ৰস্তুত কৰা হৈছে। প্ৰকল্পটিত প্ৰস্তাৱিত সংৰেখন/ উপ-প্ৰকল্পত সাম্ভাব্য সামাজিক প্ৰভাৱ হ্ৰাস কৰিবলৈ পুনৰ সংস্থাপন গাঁথনি (RPG) খন প্ৰস্তুত। এই পৰিকল্পনা প্ৰকল্পটো বিতং সামাজিক প্ৰভাৱ মূল্যায়ন, সামাজিক যথাযথ অধ্যাৱসায় প্ৰতিবেদন, পুনৰ সংস্থাপন পৰিকল্পনা আৰু সকলো সামাজিক সুৰক্ষাৰ প্ৰয়োজনীয়তা ৰূপায়ণ কৰাৰ আধাৰ হিচাপে গণ্য হ'ব। থলুৱা জনগোষ্ঠীয় লোক-পৰিকল্পনা গাঁথনি (IPPF) খন থলুৱা সম্প্ৰদায়ক প্ৰভাৱিত কৰা প্ৰকল্পৰ উপাদানবোৰ আগতীয়াকৈ চিনাক্ত কৰিবলৈ প্ৰস্তুত কৰা হয়।

৬। এই প্ৰকল্পটোৰ কাৰ্যকৰী সংস্থা হ'ব অসম চৰকাৰৰ লোক-নিৰ্মাণ বিভাগ (পথ)। মুখ্য অভিযন্তা (EAP) গৰাকী ৰাজ্যিক পৰ্যায়ৰ প্ৰকল্প ব্যৱস্থাপনা গোটৰ প্ৰকল্প সঞ্চালক (PD) হ'ব। প্ৰকল্প ব্যৱস্থাপনা গোটক এজন কাৰ্যবাহী অভিযন্তাই "অসম মালা" কাৰ্যসূচীৰ ন'ডেল বিষয়া হিচাপে সহায় কৰিব। প্ৰকল্প ব্যৱস্থাপনা গোটে প্ৰকল্পটোৰ সামগ্ৰিক কাৰ্যকৰীকৰণ আৰু কাৰিকৰী তত্বাৱধান, নিৰীক্ষণ আৰু বিত্তীয় নিয়ন্ত্ৰণ তদাৰক কৰিব। প্ৰকল্প ব্যৱস্থাপনা গোটক কাৰ্যসূচী সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শ দাতাৰ (পি.চি.এম.চি.) দ্বাৰা সহায় কৰা হ'ব। প্ৰকল্প ব্যৱস্থাপনা গোটে প্ৰকাশৰ বাবে এ.আই.আই.বি.-ৰ ওচৰত পাৰিৱেশিক, সামাজিক আৰু পুনৰ সংস্থাপন প্ৰতিবেদন দাখিল কৰিব।

৭। লোক নিৰ্মাণ বিভাগ (পথ) য়ে ইতিমধ্যে প্ৰতিখন জিলাত পৃথক বিভাগ আছে। এইটো তেওঁলোকৰ নিজ নিজ বিভাগত প্ৰকল্প সম্পৰ্কীয় সকলো কাম-কাজ কাৰ্যকৰী কৰাৰ বাবে দায়বদ্ধ হ'ব।

৮। অসম মালা কাৰ্যসূচীৰ অধীনত সকলো প্ৰকল্প উপাদানৰ বাবে লোক নিৰ্মাণ বিভাগ (পথ) ক উচ্চ মানদণ্ডৰ কাৰিকৰী পৰামৰ্শ আৰু কাৰ্য্যকৰীকৰণত সহযোগ কৰিবলৈ এটা কাৰ্য্যক্ৰম সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শদাতা নিয়োজিত কৰা হৈছে। কাৰ্য্যক্ৰম সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শদাতাই অসম মালা কাৰ্যসূচীৰ সকলো দিশৰ বাবে প্ৰগ্ৰাম মেনেজমেণ্ট ইউনিট (পিএমইউ)-ক সহযোগ কৰিব। এজন পৰিৱেশ বিশেষজ্ঞ আৰু সামাজিক বিশেষজ্ঞকো পি.চি.এম.চি দলৰ অংশ হিচাপে থাকিব।

**পাৰিবেশিক আকু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা গাঁথনি ঃ- সুৰক্ষা নীতি আৰু উদ্দেশ্য**

৯। এই শাখা এ.আই.আই.বি.-ৰ সুৰক্ষা নীতি আৰু ভাৰত আৰু অসম চৰকাৰৰ আইন, নিয়ম আৰু নীতি, পাৰিবেশিক আৰু সামাজিক দিশৰ বিপদাশংকা আৰু প্ৰভাৱ সংক্ৰান্তিও আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ  সৈতে সম্পৰ্কিত। প্ৰকল্পটোৰ সৈতে সম্ভাৱ্যভাৱে প্ৰাসঙ্গিক আইন, নিয়ম নীতি  ইয়াত আলোচনা কৰা হৈছে।

১০। এআইআইবি হৈছে এক আন্তঃৰাষ্ট্ৰীয় বিত্তীয় সংগঠন যি এছিয়াত আন্তঃগাঁথনি উন্নয়ন আৰু বৰ্ধিত আন্তঃসংযোগৰ বাবে বহুপাক্ষিক বিত্তীয় আৰু বিনিয়োগ মঞ্চ প্ৰদান কৰে। এ.আই.আই.বি.-ৰ পাৰিৰেশিক  আৰু সামাজিক মানদণ্ড (ই.এছ.এছ.) হৈছে -

ইএছএছ ১।  পাৰিবেশিক  আৰু সামাজিক মূল্যায়ন আৰু ব্যৱস্থাপনা,

ইএছএছ ২। অনিচ্ছাকৃত পুনৰসংস্থাপন আৰু

ইএছএছ ৩। থলুৱা লোক।

এআইআইবিয়ে পাৰিবেশিক আৰু সামাজিক পৰিকল্পনা আৰু পাৰিবেশিক আৰু সামাজিক মানদণ্ড অনুসৰণ নকৰা প্ৰকল্পবোৰৰ বাবে বিত্তীয় যোগান নিদিয়ে ।

১১। ভাৰতে পৰিৱেশ, প্ৰদূষণ নিয়ন্ত্ৰণ, জৈৱ বৈচিত্ৰ সংৰক্ষণ আৰু জলবায়ু পৰিৱৰ্তনৰ ওপৰত বেছিভাগ আন্তঃৰাষ্ট্ৰীয় চুক্তি, সন্মিলন আৰু প্ৰটোকলত স্বাক্ষৰ কৰিছে, যাৰ ভিতৰত আছে ৰামচাৰ সন্মিলন, জৈৱ বৈচিত্ৰৰ ওপৰত ৰিঅ' ডি জেনেৰিঅ' সন্মিলন আৰু জলবায়ু পৰিৱৰ্তনৰ ওপৰত কিয়োটো প্ৰটোকল। এনে ধৰণৰ মুঠ ২০ টা মুখ্য গোলকীয় বহুপাক্ষিক পাৰিবেশিক চুক্তিত  ভাৰতে স্বাক্ষৰ কৰিছে। প্ৰকল্পটোৰ বাবে সম্ভাৱ্যভাৱে প্ৰযোজ্য কেইবাটাও বিদ্যমান ৰাষ্ট্ৰীয়/ ৰাজ্যিক পৰ্যায়ৰ আইন আৰু নীতি আছে।

১২। অসমৰ পোনপটীয়া ক্ৰয় নীতি :-অসম ২০২১-ৰ পোনপটীয়া ক্ৰয় নীতিৰ জৰিয়তে অসম মালাৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত ব্যক্তিগত ভূমি  অধিগ্ৰহণ কৰা হ'ব, যাক "অসম মালা কাৰ্যসূচী আৰু বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ শচইএপিগ্ন অধীনত ৰাজ্যিক ঘাইপথ আৰু মুখ্য জিলা পথসমূহৰ উন্নতি আৰু উন্নীতকৰণৰ বাবে মীমাংসাৰ পোনপটীয়া ক্ৰয় পদ্ধতিৰ জৰিয়তে ভূমি অধিগ্ৰহণ" বুলি নামাকৰণ কৰা হৈছে আৰু ২০ জানুৱাৰী২০২১তাৰিখৰ অসম ৰাজপত্ৰিত অধিসূচনা নং-ডিএ৫আৰ.৮০/২০২০/৩, তাৰিখ- ২০/০১/২০২১-ত জাননী দিয়া হৈছে।

## পাৰিবেশিক আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা গাঁথনিঃ- সুৰক্ষা প্ৰক্ৰিয়া

### সুৰক্ষা প্ৰক্ৰিয়াকৰণ

১৩। উপ প্ৰকল্প বাচনি আৰু সুৰক্ষা শ্ৰেণীবিভাজন: এআইআইবিৰ পাৰিবেশিক আৰু সামাজিক গাঁথনি (ইএছএফ) ব্যৱহাৰ কৰি প্ৰত্যাশিত পাৰি বেশিক আৰু সামাজিক প্ৰভাৱৰ প্ৰকৃতি আৰু তাৎপৰ্য বুজিবলৈ প্ৰতিটো উপ প্ৰকল্প আৰম্ভণিতে পৰীক্ষা কৰা হ'ব। প্ৰাৰম্ভিক বাচনিৰ পিছত এ.আই.আই.বি.-য়ে এ.আই.আই.বি.ৰ ই.এছ.এফ. অনুসৰি প্ৰতিটো উপ প্ৰকল্পৰ পৰিৱেশ আৰু সামাজিক শ্ৰেণীবিভাজন এ, বি বা চি হিচাপে নিশ্চিত কৰা হৈছে। পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰণালয়ৰ পাৰিবেশিক প্ৰভাব মূল্যাংকন (ই.আই.এ) অধিসূচনা ২০০৬-ৰ চৰ্তৰ অধীনত এ বা বি হিচাপে শ্ৰেণীবদ্ধকৰণো নিৰ্ধাৰণ কৰা হ'ব আৰু এ.আই.আই.বি.-ক অৱগত কৰা হ'ব।

উপপ্ৰকল্পটোৰ বাচনি আৰু মূল্যাঙ্কনৰ ওপৰত ভিত্তি কৰি এই প্ৰকল্পটোক এআইআইবি ইএছএফ অনুসৰি পাৰিবেশিক আৰু সামাজিক শ্ৰেণী- এ আৱণ্টন কৰা হৈছে। উপ প্ৰকল্পটোত সংশোধিত অনুসৰি ই.আই.এ. অধিসূচনা ২০০৬ অনুসৰি পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰণালয়ৰ পৰা পাৰি বেশিক অনুমোদনৰ প্ৰয়োজন নাই, কোনো উপপ্ৰকল্পই কোনো সুৰক্ষিত এলেকাৰ মাজেৰে যোৱা নাই।

১৪। সুৰক্ষা সঁজুলি প্ৰস্তুত কৰা: প্ৰভাৱ মূল্যায়ন প্ৰক্ৰিয়াটো পুনৰীক্ষণ জৰীপ, ক্ষেত্ৰ ভ্ৰমণ, অংশীদাৰসকলৰ সৈতে আলোচনা, বিদ্যমান তথ্যৰ সমীক্ষা, বিদ্যমান তথ্য চিনাক্ত কৰণ আৰু পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা আৰু নিৰীক্ষণ পৰিকল্পনা প্ৰস্তুত কৰি, প্ৰভাৱ মূল্যায়ন আৰু নিৰীক্ষণ পৰিকল্পনা আৰ্হিত ব্যৱহাৰ কৰা আধাৰ চৰ্ত প্ৰদান কৰিবলৈ বাস্তৱিক, পাৰি বেশিক আৰু সামাজিক অৰ্থনৈতিক সম্পদৰ ওপৰত প্ৰাথমিক আৰু গৌণ তথ্য সংগ্ৰহ কৰিব লাগিব। প্ৰাথমিক তথ্যই বিদ্যমান প্ৰাকৃতিক পৰিৱেশ আৰু গৌণ তথ্যৰ বিশেষত্ব নিৰ্ধাৰণ কৰিব।

১৫। **আলোচনা আৰু প্ৰকাশ ঃ**

প্ৰকল্পটোৰ আৰম্ভণিতে আৰু প্ৰকল্প বিকাশ পৰ্যায়ত নিৰন্তৰভাৱে ৰাজহুৱা পৰামৰ্শ অনুষ্ঠিত কৰিব লাগিব যাতে চূড়ান্ত প্ৰকল্প কৰিডৰ আহি ৰ্‍ প্ৰস্তুতকৰণ, প্ৰশমন ব্যৱস্থা, কাৰ্য্যকৰীকৰণৰ বিষয়ত অংশীদাৰসকলৰ প্ৰাসঙ্গিক মতামত অন্তৰ্ভুক্ত কৰিব পাৰি আৰু লাভালাভৰ বিতৰণ বৃদ্ধি কৰিব পাৰি। পৰামৰ্শদাতাই মহিলাৰ অংশগ্ৰহণক উৎসাহিত কৰিব লাগিব আৰু যিমান সম্ভৱ সিমান অংশীদাৰক জড়িত কৰিব লাগিব। প্ৰকল্প নিৰ্বাচন, প্ৰস্তুতি আৰু প্ৰকল্প ৰূপায়ণৰ সময়ৰ জৰিয়তে প্ৰকল্পটোৰ বিভিন্ন পৰ্যায়ত তথ্য প্ৰচাৰ কৰা হ'ব। উপ প্ৰকল্পটোৰ ই.আই.এ. প্ৰতিবেদনৰ কাৰ্য ককী সাৰাংশ আলোচনা সভাৰ সময়ত স্থানীয় ভাষাত উপলব্ধ কৰা হ'ব আৰু প্ৰকল্প মূল্যাঙ্কনৰ আগতে ৰাজহুৱা স্থানত প্ৰকাশ কৰা হ'ব। পি.এম.ইউ. আৰু এ.আই.আই.বি.ৰ দ্বাৰাপাৰিবেশিক আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা গাঁথনি (ই.এছ.এম.পি.এফ.) আৰু পাৰিবেশিক প্ৰভাৱ মূল্যাঙ্কন (ই.আই.এ) ৰ অনুমোদন আৰু

অনুমোদনৰ পিছত ই.এছ.এম.পি.এফ. আৰু ই.আই.এ. লোক নির্মণ বিভাগ (পথ) ৰ বিভাগীয় ৱেবছাইট আৰু এ.আই.আই.বি.ৰ  ৱেবছাইটত প্রকাশ কৰা হ'ব।

**ওজৰ- আপত্তি নিষ্পত্তিকৰণ প্রণালী ঃ**

১৬। ক্ষতিগ্রস্ত লোকসকলৰ সকলো অংশৰ বাবে লিংগ প্রতিক্রিয়াশীল সাংস্কৃতিকভাৱে উপযুক্ত আৰু সহজে উপলব্ধ সামাজিক আৰু পাৰিবেশিক দিশবোৰৰ ওপৰত বোধগম্য আৰু স্বচ্ছ প্রক্রিয়া ব্যৱহাৰ কৰি প্রস্তাৱিত সংশোধনমূলক পদক্ষেপৰ সৈতে অভিযোগটোৰ সমাধান স্বীকাৰ, মূল্যাঙ্কন আৰু সহজ কৰাৰ বাবে এক প্রকল্প নির্দিষ্ট ওজৰ-আপত্তি নিষ্পত্তি কৰণ প্রণালী (জি.আৰ.এম) স্থাপন কৰা হ'ব। জি.আৰ.এম.ৰ লক্ষ্য হ'ব প্রকল্পটোৰ সৈতে সম্পর্কিত সামাজিক আৰু পাৰি বেশিক বিষয়বোৰ ৰখা আৰু সমাধান কৰাৰ বাবে এক সময়সীমাবদ্ধ আৰু স্বচ্ছ প্রণালী প্রদান কৰা। অভিযোগ সমাধানৰ বাবে জি.আৰ.এম. চাৰিটা স্তৰত স্থাপন কৰা হ'ব যেনে স্থান স্তৰ, প্রকল্প কার্য্যকৰীকৰণ গোট (পি.আই.ইউ. ) স্তৰ, প্রকল্প ব্যৱস্থাপনা গোট (পি.এম.ইউ.) স্তৰ, ভূমি অধিগ্রহণ পুনৰ সংস্থাপন আৰু আৰু আইন আদালত।

১৭। লোক নির্মাণ বিভাগ (পথ) ৰাজ্যিক পর্যায়ত আৰু পি.আই.ইউ. পর্যায়ত ক্ষতিগ্রস্ত লোকৰ বাবে উপলব্ধতা নিশ্চিত কৰাৰ ক্ষেত্রত এক অভিযোগ নিষ্পত্তি সমিতি (জি.আৰ.চি) স্থাপন কৰা হ'ব। জি.আৰ.চি.-য়ে স্থান স্তৰ আৰু পি.আই.ইউ. স্তৰত দুই সপ্তাহৰ নির্ধাৰিত সময়সীমাৰ ভিতৰত আৰু পি.এম.ইউ. স্তৰত এক মাহৰ ভিতৰত অভিযোগবোৰ সমাধান কৰিব বুলি আশা কৰা হৈছে।

**উপ প্রকল্প স্তৰৰ সুৰক্ষা নিৰীক্ষণ ঃ**

১৮। পাৰিবেশিক আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনাৰ নিৰীক্ষণৰ অনুপালন : ঠিকাদাৰসকলে প্রকল্পটোৰ প্রাক নির্মাণ, নির্মাণ আৰু কার্যকৰী পর্যায়ত পাৰি বেশিক মাপকাঠিৰ পৰীক্ষা কৰিব লাগে আৰু প্রস্তাৱিত প্রশমন ব্যৱস্থা কার্য্যকৰী কৰিব লাগে। চুক্তি তত্বাৱধানকাৰী পৰামর্শদাতা ( চি.এছ.চি.) / প্রাধিকাৰিক অভিযন্তা (এ.ই.)-ৰ পাৰিবেশিক আৰু সামাজিক বিশেষজ্ঞসকলে পাৰি বেশিক আৰু সামাজিক দিশবোৰ নিৰীক্ষণ কৰাটো নিশ্চিত কৰিব। অভিযন্তা আৰু ঠিকাদাৰসকলে ইএছএমপিত চিনাক্ত কৰা সকলো ব্যৱস্থা আৰু প্রক্রিয়া পালন কৰাটো নিশ্চিত কৰিব।

১৯। পাৰিবেশিক আৰু সামাজিক ব্যৱস্থাপনা নিৰীক্ষণৰ পৰিকল্পনা ( ই.এছ.এম.ও.পি.) অনুপালনৰ নিৰীক্ষণ: পাৰিবেশিক আৰু সামাজিক মাপকাঠিৰ নিৰীক্ষণ চুক্তিৰ ব্যৱস্থা অনুসৰি চি.এছ.চি./এ.ই.-ৰ দ্বাৰা সম্পাদন কৰা হ'ব যাতে  প্রকল্পটোৰ বাবে পৰিৱেশ আৰু প্রভাৱিত সম্প্রদায়ৰ ওপৰত পৰা ঋণাত্মক প্রভাৱ নিম্নতম হয়। স্থান তত্বাৱধান, অনুজ্ঞাপত্রৰ প্রমাণীকৰণ, পানীৰ গুণগত মানদণ্ড নিৰীক্ষণ, মাটি, শব্দ আৰু বায়ু, যানজট, জীৱিকা পুনৰুদ্ধাৰ, বৃত্তিগত, স্বাস্থ্য আৰু সুৰক্ষা ইত্যাদি প্রকল্পটোৰ নিৰীক্ষণ কার্যকলাপত অর্ন্তভূক্ত কৰা হৈছে। ই.এছ.এম.ও.পি. অনুপালন হৱ পি.চি.এম.চি/পি.এম.ইউ.ৰ পাৰিবেশিক আৰু সামাজিক কর্মচাৰীৰ দ্বাৰা নিৰীক্ষণ কৰা হৈছে।

২০। **প্ৰতিবেদনৰ ধাৰা ঃ** ই.এছ.এম.পি.-ত নিৰ্ধাৰিত কৰা অনুসৰি নিৰ্মাণ সম্পৰ্কীয় প্ৰশমন ব্যৱস্থাবোৰ ব্যৱহাৰিক কামৰ চুক্তিত অন্তৰ্ভুক্ত কৰিব লাগিব, আৰু সেইবোৰৰ কাৰ্যকৰীকৰণ মুখ্যতঃ ঠিকাদাৰৰ দায়িত্ব হ'ব। ইয়াৰ উপৰিও, ঠিকাদাৰসকলে কাৰ্য্যসূচী সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শদাতা (পিচিএমচি)/প্ৰকল্প ব্যৱস্থাপনা গোট (পিএমইউ)-ত পাৰিবেশিক আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনা (ইএছএমপি) ব্যৱস্থা ৰূপায়ণৰ মাহিলী অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰিব লাগিব। পি.এম.ইউ.-য়ে ই.এছ.এম.পি. কাৰ্যকৰীকৰণ আৰু মাইলৰ খুঁটিৰ বিপৰীতে অৰ্ধ-বাৰ্ষিক ভিত্তিত প্ৰাপ্ত অগ্ৰগতিৰ বিষয়ে এ.আই.আই.বি.ৰ পাৰিবেশিক আৰু সামাজিক বিশেষজ্ঞসকলক প্ৰতিবেদন দাখিল কৰিব। পি.এম.ইউ.য়ে সামাজিক সুৰক্ষা কাৰ্য্যসমূহ ৰূপায়ণত পি.আই.ইউ.ক সহযোগ কৰিবলৈ পুণৰ সংস্থাপন পৰিকল্পনা কাৰ্য্যকৰীকৰণ সন্থাক নিয়োগ কৰিব।

**পুণৰ সংস্থাপন পৰিকল্পনা গাঁথনি (আৰপিএফ): সুৰক্ষা নীতি আৰু উদ্দেশ্য**

**পুনৰসংস্থাপন পৰিকল্পনা গাঁথনিৰ প্ৰয়োজনীয়তা (আৰপিই)**

২১। প্ৰকল্পটোৰ প্ৰস্তাৱিত সংৰেখন/উপপ্ৰকল্পৰ সাম্ভাব্য সামাজিক প্ৰভাৱ হ্ৰাস কৰিবলৈ পুণৰ সংস্থাপন পৰিকল্পনা গাঁথনি (আৰপিএফ) প্ৰস্তুত কৰা হয়। আৰ.পি.এফ.-খন সকলো অৱশ্যম্ভৱী বাস্তৱিক আৰু অৰ্থনৈতিক স্থানান্তৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অনুসৰণ কৰা পদ্ধতি, নীতি আৰু প্ৰক্ৰিয়াবোৰ বৰ্ণনা কৰিবলৈ প্ৰস্তুত কৰা হয়। আৰপিখন ভাৰত চৰকাৰ, অসম চৰকাৰৰ আইন আৰু নিয়ম আৰু এ.আই.আই.বি. ৰ পৰিৱেশ আৰু সামাজিক মানদণ্ড- ২ ঃ অনিচ্ছাকৃত পুনৰ্সংস্থাপন অনুসৰি প্ৰস্তুত কৰা হ'ব।

পুণৰ সংস্থাপন পৰিকল্পনা গাঁথনি (আৰপিএফ)ৰ বাবে নীতি আৰু আইনী পৰিকাঠামো:

২২। এ.এছ.আৰ.আই.পি.ৰ ভূমি আৰু সামাজিক প্ৰভাৱৰ ওপৰত নীতি আৰু আইনী পৰিকাঠামো ভিত্তি কৰে।

ক) অসম চৰকাৰৰ প্ৰত্যক্ষ ক্ৰয় নীতি, ২০২১

খ) একচনিয়া ভূমিক ম্যাদি পাট্টা ভূমিলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ নীতি

গ) অসম ভূমি অধিগ্ৰহণ অধিসূচনা নং আৰ.এল.এ. ৩০০/ ২০০১৩/পিটি-II/৭ তাৰিখ ২২ ডিচেম্বৰ ২০১৪;

ঘ) ভূমি অধিগ্ৰহণ, পুণৰবাসন আৰু পুণৰসংস্থাপনৰ ক্ষেত্ৰত ন্যায্য ক্ষতিপূৰণ আৰু স্বচ্ছতাৰ অধিকাৰ আইন (আৰএফচিটিএলএআৰআৰ) ২০১৩;

ঙ) অসম আৰএফচিটিএলএআৰআৰ নিয়ম ২০১৫

চ) অসম ৰাজ্যিক পথ প্ৰকল্পৰ বাবে পুণৰসংস্থাপন নীতি পৰিকাঠাম ( সংযোজন), ফেব্ৰুৱাৰী ২০১৮; আৰু

ছ) পৰিৱেশ আৰু সামাজিক মূল্যাংকন আৰু ব্যৱস্থাপনা (ইএছএছ ১) সহ এ.আই.আই.বি. ৰ পাৰিবেশিক আৰু সামাজিক গাঁথনি, অনিচ্ছাকৃত পুনৰ্সংস্থাপন (ইএছএছ ২) আৰু প্ৰকল্প প্ৰভাৱিত লোক প্ৰণালীৰ ওপৰত এ.আই.আই.বি.ৰ নীতি।

**ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু এ.আই.আই.বি.ৰ প্ৰয়োজনীয়তাৰ তুলনামূলক বিশ্লেষণ ঃ**

২৩। এ.আই.আই.বি. ৰ পাৰিবেশিক আৰু সামাজিক গাঁথনি (ই.এছ.এফ.) আৰু ভূমি অধিগ্ৰহণ, পুণৰবাসন আৰু পুণৰসংস্থাপনৰ ক্ষেত্ৰত ন্যায্য ক্ষতিপূৰণ আৰু স্বচ্ছতাৰ অধিকাৰ আইন (আৰএফচিটিএলএআৰ) য়ে স্বত্বাধিকাৰী ক্ষতিগ্ৰস্ত ব্যক্তি/পৰিয়ালৰ বাবে যথেষ্ট সমতুল্য। স্বত্বহীন অস্থায়ী গৰাকীৰ ক্ষতিগ্ৰস্ত পৰিয়ালবোৰক এ.আই.আই.বি ৰ ই.এছ.এফ. ত বিবেচনা কৰা হয় কিন্তু আৰ.এফ. চি. টি. এল.এ.আৰ.আৰ.-ত বিবেচনা কৰা নহয়। এই আৰপিএফৰ এনটাইটেলমেণ্ট মেট্ৰিক্সে স্বত্বহীন অস্থায়ী গৰাকীৰ ক্ষতিগ্ৰস্ত পৰিয়ালবোৰৰ যোগ্যতা আৰু অধিকাৰৰ বিষয়টো বিবেচনা কৰিব।

২৪। ভূমি অধিগ্ৰহণ আৰু অনিচ্ছাকৃত পুনৰ্সংস্থাপন নীতি: এএছআৰআইপিত ভূমি অধিগ্ৰহণে অসমৰ প্ৰত্যক্ষ ক্ৰয় নীতি অনুসৰণ কৰিব।

**পুনৰ সংস্থাপন পৰিকল্পনা গাঁথনি (আৰপিএফ): সুৰক্ষা প্ৰক্ৰিয়া**

**পুনৰসংস্থাপন পৰিকল্পনা গাঁথনি**

২৫।পুনৰ সংস্থাপন পৰিকল্পনা গাঁথনি (আৰপিএফ) ৰ নীতিসমূহ: পুণৰ সংস্থাপন পৰিকল্পনাত ভূমি অধিগ্ৰহণ, ক্ষতিপূৰণ আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে সহায়ৰ নীতিবোৰ ৰখা হ'ব। হ' ভূমি অধিগ্ৰহণ, পৰিকল্পনা, সামাজিক প্ৰভাৱ মূল্যায়ন, পৰামৰ্শ আৰু ওজৰ-আপত্তি নিষ্পত্তিকৰণ, প্ৰতিষ্ঠানগত ব্যৱস্থা, আৰু অনুসৰণ কৰিব লগা অন্যান্য প্ৰক্ৰিয়াৰ ফলত হোৱা প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিব। এনটাইটেলমেণ্ট মেট্ৰিক্সে স্বীকাৰ কৰে যে আইনৰ অধীনত স্বীকৃত স্বত্তধীকাৰ বা পৰম্পৰাগত অধিকাৰৰ অভাৱ অধিকাৰৰ বাবে বাধা নহ'ব আৰু স্বত্বহীন অস্থায়ী গৰাকী সকলৰ বাবে বিশেষ ব্যৱস্থা থাকিব।

২৬। আৰপিএফৰ পৰিসৰ: এ বা বি শ্ৰেণীৰ অধীনত সকলো প্ৰস্তাৱিত উপ-প্ৰকল্পৰ বাবে বিতং সামাজিক প্ৰভাৱ পৰ্য্যালোচনা (এছ.আই.এ.) আৰু পুণসংস্থাপনৰ পৰিকল্পনাৰ আধাৰ হ'ব আৰ.পি.এফ. বা সেই উপ প্ৰকল্পবোৰ, যাৰ কাৰ্যকলাপে এ.আই.আই.বি.ৰ নিৰ্দেশনা অনুসৰি অনিচ্ছাকৃত পুনৰ্সংস্থাপন ৰক্ষা কৰে।

২৭।এনটাইটেলমেণ্ট মেট্ৰিক্স: এনটাইটেলমেণ্ট মেট্ৰিক্সে সকলো প্ৰভাৱিত পৰিয়াল আৰু সম্পত্তি আৰু জীৱিকা হেৰুওৱা ব্যক্তিৰ পৰিকল্পনা কৰে আৰু হেৰুওৱা সম্পত্তিৰ ওপৰত মালিকীস্বত্বৰ অধিকাৰৰ প্ৰকৃতি আৰু স্থানচ্যুত লোকসকলৰ আৰ্থ-সামাজিক দুৰ্বলতা সহ প্ৰভাৱৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি পুণৰ সংস্থাপনৰ সহায়ত অধিকাৰ নিৰ্ধাৰণ কৰে।

২৮। **এছ.আই.এ. আৰু আৰ.পি.-ৰ প্ৰস্তুতি আৰু অনুমোদনৰ প্ৰক্ৰিয়া ঃ**

প্ৰভাৱিত পৰিয়ালৰ লোকপিয়ল (১০০%) আৰু তেওঁলোকৰ প্ৰভাৱিত সম্পত্তি আৰু প্ৰভাৱিত পৰিয়ালবোৰৰ আৰ্থ-সামাজিক তথ্য নমুনা জৰীপৰ জৰিয়তে বিতং এছ.আই.এ. আধাৰিত কৰি সম্পন্ন কৰা হব ( বাস্তৱিকভাৱে স্থানচ্যুত পৰিয়ালৰ ১০০% আৰু বাকী ক্ষতিগ্ৰস্ত পৰিয়ালৰ ২৫%। এছআইএৰ ফলাফল আৰু আৰপিএফৰ নিৰ্দেশনাৰ ওপৰত ভিত্তি কৰি পুণৰসংস্থাপনৰ পৰিকল্পনা খন (আৰপি) প্ৰস্তুত কৰা হ'ব।

২৯। **ক্ষতিপূৰণ, জীৱিকা পুনৰুদ্ধাৰ আৰু পুনৰবাসন:** ভূমি অধিগ্ৰহণৰ বাবে শস্য আৰু গছসহ ভূমি আৰু স্থাৱৰ সম্পত্তিৰ মূল্যায়ন চূড়ান্ত কৰাৰ বাবে সংশ্লিষ্ট জিলাৰ উপায়ুক্ত/ জিলা সমাহৰ্তা আৰু অতিৰিক্ত উপায়ুক্ত (ৰাজহ) ওপৰত কৰ্তৃত্ব থাকিব। মূল্যায়নে আৰএফচিটিএলএআৰআৰ আইন ২০১৩-ৰ ধাৰা ২৬ ৰ পৰা ৩০ আৰু অনুসূচী১আৰু লগতে অসমৰ গুণাগুণ কাৰক অধিসূচনা নং - আৰ.এল.এ. ৩০০/ ২০০১৩/পিটি-II/৭ তাৰিখ ২২ ডিচেম্বৰ ২০১৪ অনুসৰণ কৰিব।

৩০। **পুনৰসংস্থাপন পৰিকল্পনা (আৰ.পি) ঃ** প্ৰতিটো ব্যৱহাৰিক কামৰ চুক্তি পেকেজ অনুসৰি প্ৰতিটো উপ-প্ৰকল্পৰ বাবে এক আৰ.পি. প্ৰস্তুত কৰা হ'ব। এছআইএৰ প্ৰভাৱৰ ফলাফলৰ ওপৰত আৰপি খন প্ৰস্তুত কৰা হ'ব আৰু এএছআৰআইপিৰ বাবে প্ৰস্তুত কৰা অনুমোদিত আৰপিএফৰ ব্যৱস্থা আৰু নিৰ্দেশনা অনুসৰি প্ৰশমন ব্যৱস্থাৰ পৰামৰ্শ দিয়া হ'ব।

৩১। **অংশীদাৰ ঃ** অংশীদাৰ হৈছে হয় এক ব্যক্তি, গোট বা সংগঠন যি প্ৰকল্পটোৰ ফলাফলৰ দ্বাৰা প্ৰভাৱিত হয় আৰু প্ৰকল্পটোৰ প্ৰতি আগ্ৰহান্বিত। আৰম্ভণিৰ পৰা সফলতাৰে সম্পূৰ্ণ হোৱালৈকে এটা প্ৰকল্প প্ৰাপ্ত কৰাত বহুতো লোক জড়িত হৈ থাকে।

৩২। **প্ৰতিষ্ঠানগত ব্যৱস্থা আৰু ৰূপায়ণ ঃ** এ.আই.আই.বি.ৰ সুৰক্ষা প্ৰয়োজনীয়তা অনুসৰি প্ৰকল্পটো ৰূপায়ণৰ সুবিধাৰ বাবে দক্ষতা বিকাশ কাৰ্যসূচী পৰিচালনা কৰা প্ৰয়োজন।

লোক নিৰ্মাণ বিভাগ (পথ) আৰু পি.আই.ইউ-ৰ বিষয়ববীয়াসকলৰ প্ৰশিক্ষণৰ বাবে পিএমইউ দায়বদ্ধ হ'ব।

৩৩। **নিৰীক্ষণ আৰু প্ৰতিবেদন ঃ** পি.এম.ইউ-ৰ দ্বাৰা পি.চি.এম.চি-ৰ সহায়ত আভ্যন্তৰীণ নিৰীক্ষণ কৰা হ'ব। আভ্যন্তৰীণ নিৰীক্ষণে ভূমি অধিগ্ৰহণ আৰু পুনৰ্সংস্থাপন কাৰ্যকলাপবোৰ ৰূপায়ণ কৰাত নিশ্চিত কৰিব। গুৰুত্বপূৰ্ণ প্ৰতিকূল সুৰক্ষা প্ৰভাৱ থকা উপপ্ৰকল্পবোৰৰ বাবে, পি.এম.ইউ.-য়ে ইয়াৰ নিৰীক্ষণ তথ্য প্ৰমাণিত কৰিবলৈ যোগ্য আৰু অভিজ্ঞ বাহ্যিক বিশেষজ্ঞ নিয়োগ কৰিব।

৩৪। **প্ৰকল্প সুৰক্ষা নথি-পত্ৰ প্ৰকাশ ঃ** প্ৰকল্পটোৰ বিভিন্ন পৰ্যায়ত স্থানচ্যুত লোকসকললৈ তথ্য প্ৰচাৰ কৰা হ'ব। আৰ.পি.এফ.-ৰ সাৰংশ আৰু উপ-প্ৰকল্পৰ সংশ্লিষ্ট আৰ.পি. স্থানীয় ভাষাত উপলব্ধ কৰা হ'ব।

**আই.পি.পি.ই ঃ থলুৱা লোক পৰিকল্পনা গাঁথনি**

৩৫। অনুসূচীত জনজাতিৰ কল্যাণৰ বাবে ভাৰত চৰকাৰৰ বিশেষ চিন্তা আৰু অঙ্গীকাৰ আছে। ভাৰতৰ সংবিধানে এই সম্প্ৰদায়সমূহক সকলো সাম্ভাব্য শোষণৰ পৰা সুৰক্ষিত কৰিবলৈ আৰু সামাজিক ন্যায় নিশ্চিত কৰিবলৈ কিছুমান বিশেষ সুৰক্ষা প্ৰদান কৰিছে। সংবিধানে ৰাজ্যখনক যিকোনো সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীৰ উন্নতিৰ বাবে যিকোনো পিছপৰা শ্ৰেণীৰ নাগৰিকৰ পক্ষত বিশেষ ব্যৱস্থা কৰিবলৈ আদেশ দিয়ে আৰু ৰাজ্যখনক নিযুক্তি বা পদত সংৰক্ষণৰ ব্যৱস্থা কৰাৰ ক্ষমতা প্ৰদান কৰে।

**নীতি পৰিকাঠামো-প্ৰযোজ্য ৰাষ্ট্ৰীয় আইন, নিয়মাৱলী আৰু এ.আই.আই.বি.ৰ ইএছ্‌এফ/ইএছ্‌এছ**

৩৬। **নীতি আৰু আইনী পৰিকাঠামো ঃ** ভাৰতৰ সংবিধানে বিভিন্ন কাৰক বিবেচনা কৰি এক অনুসূচীত জনজাতি (এছ টি) চিনাক্ত কৰে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩৬৬ (২৫)-ত অনুসূচীত জনজাতিক সংবিধানৰ অনুচ্ছেদ ৩৪২ অনুসৰি অনুসূচীত সম্প্ৰদায় বুলি উল্লেখ কৰা হৈছে। ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত অসমৰ কেইটামান এলেকা অনুসূচীত এলেকা হিচাপে ঘোষনা কৰা হৈছে। অসমৰ ষষ্ঠ অনুসূচীৰ অৰ্ন্তভুক্ত ক্ষেত্ৰকেইটা হৈছে— বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল, কাৰবি আংলং স্বায়ত্তশাসিত পৰিষদ, ডিমা হাচাও স্বায়ত্তশাসিত জিলা পৰিষদ। জনজাতীয় লোকসকলৰ ওপৰত প্ৰাসংগিক আইন, আইন, নিয়ম, নীতি আৰু নিৰ্দেশনা হৈছে—

ক) ৰাষ্ট্ৰীয় জনজাতীয় নীতি (২০০৬);

খ) বন অধিকাৰ আইন (এফ.আৰ.এ. ২০০৬); আৰু

গ) এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেঙ্কৰ (এ.আই.আই.বি.) পৰিৱেশ আৰু সামাজিক পৰিকাঠামোৰ (ইএছএছ- ৩ ) পৰিৱেশ আৰু সামাজিক মানদণ্ড-৩ (ইএছএছ-৩)।

**আইপিপিৰ প্ৰক্ৰিয়া আৰু প্ৰস্তুতি**

৩৭। AIIB-ই.এছ.এছ.৩-এ এক সুকীয়া, দুৰ্বল, সামাজিক আৰু সাংস্কৃতিক গোট বুজাবলৈ সাধাৰণ অৰ্থত থলুৱা লোক শব্দটো ব্যৱহাৰ কৰিছে। যদি বাচনিৰ সময়ত এইটো নিৰ্ধাৰণ কৰা হয় যে থলুৱা লোক হিচাপে বিবেচনা কৰা জনজাতীয় গোটবোৰ প্ৰকল্প ক্ষেত্ৰত উপস্থিত আছে বা সামূহিক সম্পৰ্ক আছে, আৰু প্ৰকল্পটোৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে, তেনেহ'লে এখন আইপিপি বা জনজাতীয় পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব।

৩৮। প্ৰতিটো উপ-প্ৰকল্প পথ কৰিডৰত ক্ষতিগ্ৰস্ত থলুৱা লোকসকলক চিনাক্ত কৰা হ'ব। যদি থাকে তেন্তে থলুৱা লোকসকলৰ ওপৰত প্ৰকল্প এটাৰ প্ৰভাৱৰ তাৎপৰ্য নিৰ্ধাৰণ কৰা হ'ব। থলুৱা সম্প্ৰদায় আৰু প্ৰকল্পই তেওঁলোকক স্বকীয়তা বা তেওঁলোকৰ স্বতন্ত্ৰতাৰ ক্ষেত্ৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱিত কৰিলে থলুৱা লোক পৰিকল্পনা (আই.পি.পি) প্ৰস্তুত কৰিব।

৩৯। জনজাতীয় জনসংখ্যাৰ মুখ্য সমস্যা আৰু সম্ভাব্য প্ৰতিকূল প্ৰভাৱ ঃ অসমত জনজাতীয়

সম্প্ৰদায়ৰ লোকে  বাস কৰা কেইবাটাও অঞ্চল আছে, মুঠ জনজাতীয় জনসংখ্যাৰ ১২.৪৫%  লোক আছে। অসমৰ ১৪টা জনজাতীয় জনসংখ্যাৰ মাত্ৰ ১১% লোক সমভূমি অঞ্চলত বাস কৰে । আনহাতে, তিনিখন স্বায়ত্তশাসিত পাহাৰীয়া জিলাত কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও (যিবোৰ এ.এছ.আৰ.আই.পি-ত অন্তৰ্ভুক্ত নহয়) ৰ ৩৯টা জনজাতিৰ ৫৯অনুসূচীত জনজাতি সম্প্ৰদায়ৰ লোক আছে।

৪০। **আই.পি.পি. প্ৰস্তুতিৰ বাবে পন্থা আৰু পদক্ষেপ ঃ** ই.এছ.এছ.৩-ত উল্লেখ কৰা চৰ্তৰ ওপৰত ভিত্তি  কৰি যোগ্য সমাজ বিজ্ঞানীসকলে থলুৱা লোক পৰীক্ষা আৰু চিনাক্ত কৰিব। এবাৰ এটা আইপি গোট চিনাক্ত হোৱাৰ পিছত আৰু সাম্ভাব্য প্ৰভাৰ থকাৰ পিছত, আইপিপি বা জনজাতীয় প্ৰকল্প এটাৰ মূল্যাংকন আৰু প্ৰস্তুত  কৰাত সহায় কৰিবলৈ এজন আইপি বিশেষজ্ঞক নিয়োজিত কৰিব। যদি প্ৰকল্পটোৱে আইপিৰ ওপৰত কোনো প্ৰভাৰ পেলায়, তেন্তে AIIB-ৰ ই.এছ.এফ.ৰ ই.এছ.এছ.-৩ আৰম্ভ হ'ব আৰু আইপিপি প্ৰস্তুত কৰা হ'ব।

৪১। **জনজাতীয় ভূমি অধিগ্ৰহণ/হস্তান্তৰ প্ৰক্ৰিয়া ঃ**  অসমত থলুৱা জনজাতীয় লোকসকলৰ ভূমি হৈছে তপচীলভূক্ত ভূমি, য'ত ব্যক্তিগত মালিকীস্বত্বৰ পৰিৱৰ্তে ভূমিৰ মালিকানা সম্প্ৰদায়ৰ। অসমে তপচীলভূক্ত ভূমিৰ বাবে ভূমি হস্তান্তৰ প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰিছে। চৰকাৰী নিৰ্দেশনা সাপেক্ষে প্ৰত্যক্ষ ক্ৰয় নীতি (ডিপিপি)-ৰ জৰিয়তে জনজাতি লোকসকলৰ ব্যক্তিগত মালিকানা আৰু একচনিয়া ভূমিও অধিগ্ৰহণ কৰা হ'ব। একচনিয়া ভূমিক ম্যাদী পট্টালৈ ৰূপান্তৰ কৰা নিৰ্দেশাৱলী যদি ডিপিপি মালিকীস্বত্ব ভূমিৰ বাবে বিফল হয়, তেনে ভূমি আৰএফচিটিএলএআৰআৰ আইন ২০১৩-ৰ অধীনত প্ৰস্তুত কৰা আৰএফচিটিএলএআৰআৰ ২০১৫-ৰ জৰিয়তে অধিগ্ৰহণ কৰা হ'ব।

৪২। **থলুৱা লোক পৰিকল্পনা ঃ** যদি উপ-প্ৰকল্পটোৱে থলুৱা সম্প্ৰদায়ৰ ওপৰত প্ৰভাৰ পেলোৱা দেখা যায়, এই আইপিপিএফৰ সৈতে সংগতি ৰাখি আইপিপি প্ৰস্তুত কৰা হ'ব। আইপিপিৰ প্ৰসাৰ আৰু গভীৰতা প্ৰস্তাৱিত প্ৰকল্পটোৰ সাম্ভাব্য প্ৰভাৱৰ প্ৰকৃতি আৰু স্কেলৰ সমানুপাতিক হ'ব লাগে।

৪৩। **আইপিপিএফ আৰু আইপিপি প্ৰকাশ ঃ** প্ৰয়োজন হ'লে আইপিপিএফ আৰু আইপিপিৰ প্ৰতিলিপি

(১) পি.এম.ইউ. আৰু পি.আই.ইউ.-ৰ কাৰ্যালয়সমূহ

(২) প্ৰাসংগিক গাঁওবোৰ

(৩) অসম মালাৰ সমৰ্পিত ৱেবছাইটত, আৰু

(৪) AIIB-ৰ ৱেবছাইটত উপলব্ধ হব।